জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৯৬/২০১৯

**ৰাজ্যখনৰ ছয়টা জনগোষ্ঠীৰ জনজাতিকৰণৰ দিশত মন্ত্ৰীগোটে জনোৱা অনুমোদন জানুৱাৰী মাহৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰক দাখিল কৰিব ৰাজ্য চৰকাৰে**

**অবিভক্ত গোৱালপাৰা জিলাত কোঁচ ৰাজবংশীৰ বাবে স্বায়ত্ত শাসিত পৰিষদ গঠন কৰাৰ উপৰি মৰাণ, মটক জনগোষ্ঠীৰ বাবেও সুকীয়া স্বায়ত্ত শাসিত পৰিষদ গঠন কৰিব ৰাজ্য চৰকাৰে**

**আহোম, চুতীয়া, মৰাণ, মটক জনগোষ্ঠীৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবে ১২৫ কোটি টকাকৈ ব্যয় কৰিব ৰাজ্য চৰকাৰে**

**সতী সাধনীৰ স্মৃতিত বৃহৎ শৈক্ষিক প্ৰতিষ্ঠান স্থাপন কৰিব ৰাজ্য চৰকাৰে**

**শান্তি-সম্প্ৰীতি বজাই ৰখাৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান**

**দিছপুৰ, ১৯ ডিচেম্বৰ ঃ** ৰাজ্যখনৰ ছয়টা জনগোষ্ঠীক জনজাতিকৰণৰ বাবে ৰাজ্য চৰকাৰে অহা জানুৱাৰী মাহৰ ভিতৰত মন্ত্ৰীগোটে জনোৱা অনুমোদন কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিব। আনহাতে, চাৰিখন জিলাক সামৰি আহোম, চুতীয়া, মৰাণ আৰু মটক জনগোষ্ঠীৰ আত্ম-সংস্থাপন, আধুনিক আন্তঃগাঁথনি, পুৰণি কীৰ্তি চিহ্ন সংৰক্ষণৰ বাবে প্ৰতিটো জনগোষ্ঠীকে ১২৫ কোটি টকাকৈ প্ৰদান কৰা হ'ব। কোঁচ ৰাজবংশী সকলৰ বাবে অবিভক্ত গোৱালপাৰা জিলাত স্বায়ত্ত শাসিত পৰিষদ গঠন কৰাৰ উপৰি মৰাণ, মটকৰ বাবেও সুকীয়াকৈ স্বায়ত্ত শাসিত পৰিষদ গঠন কৰা হ'ব। মৰাণ জনগোষ্ঠীৰ বাবে চিকিৎসা মহাবিদ্যালয়ত আৰু এখন আসন বৃদ্ধি কৰা হ'ব। ৰাজ্য চৰকাৰে ৰাঘৱ মৰাণৰ জীৱন আৰু কীৰ্তি আধাৰিত এখন তথ্য চিত্ৰ নিৰ্মাণৰ বাবেও পুঁজি প্ৰদান কৰিব। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৌৰোহিত্যত মৰাণ জনগোষ্ঠীৰ ছয়টা সংগঠনৰ প্ৰতিনিধিৰ সৈতে হোৱা এক বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে এই আশ্বাস প্ৰদান কৰে।

আনহাতে, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সৈতেও হোৱা আন এক বৈঠকত কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে সতী সাধনী দিৱসৰ চৰকাৰী বন্ধৰ বিষয়টো ৰাজ্য চৰকাৰে গুৰুত্ব সহকাৰে গ্ৰহণ কৰি শীঘ্ৰে এই সম্বন্ধে ইতিবাচক সিদ্ধান্তৰ কথা প্ৰকাশ কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে চুতীয়া জনগোষ্ঠীৰ যুৱক-যুৱতীসকলৰ আত্ম-সংস্থাপন, অত্যাধুনিক আন্তঃগাঁথনি নিৰ্মাণ আৰু পুৰণি কীৰ্তি চিহ্ন সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰে ১২৫ কোটি টকা ব্যয় কৰিব। বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে সতী সাধনীৰ স্মৃতিত এখন বৃহৎ শৈক্ষিক প্ৰতিষ্ঠান অতি শীঘ্ৰে স্থাপন কৰা হ'ব। আনহাতে, চুতীয়া জনগোষ্ঠী অধ্যুষিত এলেকা সমূহত সতী সাধনীৰ আৱক্ষমূৰ্তি স্থাপনৰ ক্ষেত্ৰটো ৰাজ্য চৰকাৰে পুঁজি আৱন্টন কৰিব।

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

দুয়োখন বৈঠকতে মুখ্যমন্ত্ৰী সোণোৱালে প্ৰতিনিধি দল কেইটাই উত্থাপন কৰা বিষয় সমূহ গুৰুত্ব সহকাৰে শুনাৰ উপৰি আগন্তুক কেবিনেট বৈঠকত এই বিষয় সমূহ ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰাৰ দিশটো আশ্বাস প্ৰদান কৰে।

দুয়োখন বৈঠকতে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ খিলঞ্জীয়া জনগোষ্ঠীৰ সৰ্বাংগীন উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে দায়বদ্ধতাৰে কাম কৰি আহিছে। খিলঞ্জীয়া জনগোষ্ঠীৰ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক উত্তৰণৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে। মৰাণ, চুতীয়াকে ধৰি প্ৰতিটো জনগোষ্ঠীৰ দ্ৰুত বিকাশৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন কৰ্মসূচী ৰূপায়ন কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ‘ভাষা গৌৰৱ’ আঁচনিৰ অধীনত ৰাজ্য চৰকাৰে যাতে শীঘ্ৰে যথোচিত পদক্ষেপ গ্ৰহণ কৰিব পাৰে তাৰ বাবে প্ৰস্তাৱ আগবঢ়াবলৈও সংশ্লিষ্ট জনগোষ্ঠী কেইটাক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যখনৰ উন্নয়নৰ গতি ক্ষীপ্ৰ কৰাৰ বাবে শান্তিপূৰ্ণ পৰিৱেশৰ প্ৰয়োজন। এই ক্ষেত্ৰত বিভিন্ন জনগোষ্ঠী সংগঠন সমূহক ৰাজ্যখনৰ সাতামপুৰুষীয়া শান্তি-সম্প্ৰীতিৰ পৰিৱেশ অক্ষুন্ন ৰখাৰ দিশত অগ্ৰণী ভূমিকা ল’বলৈও আহ্বান জনায়।

বৈঠক দুখনত ভাষণ প্ৰদান কৰি বিত্ত, স্বাস্থ্য, গড়কাপ্তানি ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰতিটো জনগোষ্ঠীকে সমভাৱে আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিছে। আজিৰ বৈঠকত যিবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হ’ল সেইবোৰ কাৰ্যকৰীকৰণৰ বাবে ৰাজ্য চৰকাৰে লোৱা আন্তৰিকতাৰ দিশটো দুই এদিনৰ ভিতৰতে জনসাধাৰণে অৱগত হ’ব পাৰিব বুলিও তেওঁ কয়। ৰাজ্যখনৰ প্ৰতিটো সমস্যা বৰ্তমানৰ চৰকাৰখনে উচিতভাৱে হৃদয়ংগম কৰি ইয়াক আন্তৰিকতাৰে সমাধান কৰাৰ দিশত প্ৰয়াস চলাই আছে আৰু ভৱিষ্যতেও প্ৰয়াস চলাই যাব বুলি মন্ত্ৰী গৰাকীয়ে কয়।

আজিৰ এই বৈঠকত বিধায়ক সকল ক্ৰমে বলীন চেতিয়া, ডাঃ ৰণোজ পেগু, বিমল বৰা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথু, মুখ্যমন্ত্ৰীৰ সচিব ৰঞ্জন চক্ৰৱৰ্তী, মৰাণ জনগোষ্ঠীৰ ছয়টা সংগঠনৰ প্ৰতিনিধি আৰু সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ প্ৰতিনিধি সকলে অংশ গ্ৰহণ কৰে।

**পুঃডেঃ / বঃভাঃ**
**১৯/১২/২০১৯**